**REGIONEL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-05-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ক'ভিড কালক বাদ দি যোৱা এটা দশকত অসমৰ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৩ৰ পৰা ১৫ শতাংশ হাৰত বৃদ্ধি পাইছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। চলিত বছৰত গুৱাহাটীত অনুষ্ঠিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ইয়াৰ প্ৰভাৱ প্ৰতিফলিত হৈছে বুলি ডঃ শৰ্মাই উল্লেখ কৰে। কালি দেশৰ ইলেকট্ৰনিকছ খণ্ডৰ আগশাৰীৰ প্ৰতিষ্ঠানসমূহৰ প্ৰতিনিধিৰ সৈতে দিল্লীত অনুষ্ঠিত আছাম ইলেকট্ৰনিকছ ৰাউণ্ড টেবুল ২০২৫ শীৰ্ষক সন্মিলনত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। অসম উত্তৰ-পূৰ্বাঞ্চলৰ কেন্দ্ৰস্থলত অৱস্থিত হোৱাৰ লগতে কৌশলগত দিশৰ পৰা ভূটান আৰু বাংলাদেশৰ সৈতে সীমান্ত সংলগ্ন হৈ থকাৰ পৰিপ্ৰেক্ষিতত বিনিয়োগৰ বাবে সুবিধাজনক স্থান বুলি তেওঁ উল্লেখ কৰে।

ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অসমত ইতিমধ্যে ১১ খন পঞ্চতাৰকা হোটেল স্থাপনত অনুমোদন জনোৱাৰ লগতে ৩খন ছেটেলাইট টাউনশ্বিপ গঢ়ি তোলাৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। ইয়াৰ ভিতৰত টাটাৰ উদ্যোগত জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ সমীপত স্থাপন কৰিবলগীয়া জাগীৰোড ইণ্টিগ্ৰেটেড ছেটেলাইট টাউনশ্বিপৰ বিষয়ে তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে টাটাই এই প্ৰকল্পটোৰ পৰা দৈনিক ৪ কোটি ৮০ লাখতকৈ অধিক চিপ উৎপাদিত হ'ব।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত পদ্ম বঁটাসমূহ প্ৰদান কৰিব। দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী- এই তিনিটা পৰ্যায়ত প্ৰদান কৰা হয়। শিক্ষা, সমাজসেৱা, জনসংযোগ, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া তথা অসামৰিক সেৱাকে ধৰি বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱাৰ বাবে এই বঁটাসমূহ প্ৰদান কৰা হয়। এই বছৰ গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত চৰকাৰে ১৩৯টা পদ্ম বঁটা ঘোষণা কৰিছিল। ইয়াত ৭টা পদ্ম বিভূষণ, ১৯টা পদ্মভূষণ আৰু ১১৩ পদ্মশ্ৰী বঁটা আছে। ইয়াৰ পূৰ্বেও যোৱা ২৮ এপ্ৰিলত ৰাষ্ট্ৰপতিগৰাকীয়ে চলিত বৰ্ষৰ পদ্ম বঁটা প্ৰদানৰ প্ৰথমটো অনুষ্ঠানত ভালে কেইগৰাকী ব্যক্তিক বঁটাৰে সন্মানিত কৰিছিল।

০০০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশমৰ্মে অসম আৰক্ষীয়ে অভিযান চলাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা বাংলাদেশী সন্দেহত আটক কৰা দুহেজাৰৰো অধিক লোকৰ ভিতৰত ১৫০ জন লোকক সীমান্ত সুৰক্ষা বাহিনীক হস্তান্তৰ কৰিছে। এই লোকসকলক পুনৰ বাংলাদেশলৈ প্ৰেৰণৰ বাবে বি এছ এফে ব্যৱস্থা গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। যোৱা শনিবাৰৰ পৰা কালিপৰ্যন্ত গোলাঘাটৰ মৰঙী আৰু নুমলীগড়ৰ আৰক্ষীয়ে ৫১ জন সন্দেহজনক লোকক আটক কৰিছে। আটক কৰা লোকসকলৰ অধিকাংশই নুমলীগড় শোধনাগাৰত শ্ৰমিক হিচাপে কৰ্মৰত আছিল। উল্লেখযোগ্য যে

গৃহ মন্ত্ৰ্যালয়ে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ অবৈধ বাংলাদেশী আৰু ম্যানমাৰৰ ৰহিংগীয়া নাগৰিকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল।

০০০০০০০

ডিব্ৰুগড়ৰ শিল্পী সমাজে সদ্যপ্ৰয়াত শিল্পী গায়ত্ৰী হাজৰিকাৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। ডিব্ৰুগড় সাহিত্য সভা ভৱনত আয়োজিত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিশিষ্ট সংগীতজ্ঞ ৰাজেন গোহাঁই প্ৰমুখ্যে কেইবাগৰাকীও শিল্পী তথা বিশিষ্ট ব্যক্তিয়ে প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সোণোৱাল কছাৰী সাহিত্য সভাইও শিল্পীগৰাকীক মৰণোত্তৰভাৱে সংগীত সৰস্বতী উপাধিৰে বিভূষিত কৰাৰ সিদ্ধান্ত লৈছে। সাহিত্য সভাৰ বৈঠকত সৰ্বসন্মতিক্ৰমে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০০

কটন কলেজ প্ৰতিষ্ঠাৰ ১২৫ বছৰীয়া দিৱসৰ সৈতে সংগতি ৰাখি আজি প্ৰাক্তন কটনিয়ানৰ মত বিনিময় তথা স্মৃতি ৰোমন্থন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি বিয়লি কটন এলমনাই ভৱনত আয়োজিত এই অনুষ্ঠানত শতায়ু গৰকা প্ৰাক্তন কটনিয়ান ডাঃ চিৰাজুল হক, সত্যকৃষ্ণ মিশ্ৰ আৰু ৯০ বছৰৰ উৰ্ধৰ প্ৰফুল্ল গোবিন্দ বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ড° দয়ানন্দ পাঠকে প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত বক্তৃতা আগবঢ়াব। অনুষ্ঠানত প্ৰাক্তন কটনিয়ান শিল্পীসকলে সংগীত পৰিৱেশন কৰিব। এই অনুষ্ঠানত সকলো প্ৰাক্তন কটনিয়ানৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্ট, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে মুম্বাই ইণ্ডিয়ানছক ৭ উইকেটত পৰাস্ত কৰে। এই জয়ৰ সুবাদত পাঞ্জাবে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ শীৰ্ষ দুটা দলৰ মাজত নিজৰ স্থান সুনিশ্চিত কৰে। দলটোৱে লগতে অহা বৃহস্পতিবাৰে ছণ্ডিগড়ত হ'বলগীয়া প্লে অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেলৰ বাবেও যোগ্যতা অৰ্জন কৰে।

০০০০০০০০০

**সমাপ্ত**